# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। রাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুৰ্মুৱে, চৰকাৰে অনুসূচীত জনজাতিকে ধৰি সমাজৰ সকলো শ্রেণীৰ লোকৰ সৱলীকৰণৰ ক্ষেত্ৰত কাম কৰি আছে বুলি প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কেইবাটাও ৰে'লৰে প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৩। চত্তিশগড়ৰ বীজাপুৰ জিলাত মাওবাদীয়ে সুৰক্ষা বাহিনীৰ এখন বাহনত বিস্ফোৰণ ঘটোৱাৰ ফলত ৮ জন জোৱানৰ লগতে বাহনৰ চালকজনৰ মৃত্যু হয়।

৪। ভাৰতে, পাকিস্তানে আফগানিস্তানৰ ওপৰত বিমানেৰে আক্ৰমণ কৰা ঘটনাক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। ***আৰু***

৫। বিচিচিআইয়ে আয়াৰলেণ্ডৰ লগত হ'বলগীয়া একদিনীয়া আন্তৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় মহিলা ক্ৰিকেট দলটো ঘোষণা কৰিছে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে, চৰকাৰে অনুসূচীত জনজাতিকে ধৰি সমাজৰ সকলো শ্রেণীৰ লোকৰ সৱলীকৰণৰ ক্ষেত্ৰত কাম কৰি আছে বুলি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি ভৱনত আজি দেশৰ বিভিন্ন ৰাজ্যৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ পৰা সমবেত হোৱা অনুসূচীত জনজাতিৰ মহিলা প্ৰতিনিধিসকলক উদ্দেশ্যি দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এনেদৰে কয়। মহিলা সৱলীকৰণক ভাৰতীয় গণতন্ত্ৰৰ মেৰুদণ্ড বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে দেশৰ সংবিধানে মহিলাসকলক সমান অধিকাৰ প্ৰদান কৰিছে বুলি মত প্ৰকাশ কৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কেইবাটাও ৰে'লৰে প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে নৱ নিৰ্মিত জম্মু ৰে'লৰে সংমণ্ডলৰ লগতে শ্ৰীনগৰ -কাটৰা সংযোগী ৰেলপথৰ উদ্বোধন কৰে। জম্মু কাশ্মীৰ খণ্ডৰ যোগাযোগ ব্যৱস্থাত এই ৰেল সেৱাই বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। ৭৪২ কিলোমিটাৰৰো অধিক দৈৰ্ঘৰ পাথানকোট-জম্মু-উধমপুৰ-শ্ৰীনগৰ-বাৰমুল্লা, ভোগপুৰ চিৰৱা-পাথানকোট, বাটালা-পাথানকোট আৰু পাথানকোটৰ পৰা যোগিন্দৰ নগৰ আদি ষ্টেচনক সামৰি গঢ়ি তোলা জম্মু ৰে'ল সংমণ্ডলে জম্মু-কাশ্মীৰৰ লগতে ইয়াৰ কাষৰীয়া অঞ্চলসমূহৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া প্ৰত্যাশা পূৰণ কৰি তেওঁলোকক যাতায়তৰ ক্ষেত্ৰত উপকৃত কৰিব। ইয়াৰ ফলত নিয়োগৰ সুযোগ বৃদ্ধি, আন্তঃগাঁথনিৰ উন্নয়ন, পৰ্যটনৰ প্ৰসাৰ আৰু সামগ্ৰিকভাৱে অঞ্চলটোৰ আৰ্থসামাজিক বিকাশ নিশ্চিত হ'ব বুলিও আশা প্ৰকাশ কৰা হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি তেলেংগানাৰ চাৰলাপল্লী নতুন টাৰ্মিনেল ষ্টেচনটো মুকলি কৰাৰ লগতে পূব উপকূলীয় ৰে'লৰে ৰায়গড়া ৰে'ল সংমণ্ডলৰ ভৱনৰ আধাৰশিলা স্থাপন কৰে। চাৰলাপল্লীৰ নতুন টাৰ্মিনেল ষ্টেচনটো ৪১৩ কোটি টকা ব্যয়েৰে পৰিবেশ অনুকূল আৰু অত্যাধুনিক ৰূপত নিৰ্মাণ কৰা হৈছে। একেদৰে, পূব উপকূলীয় ৰে'লৱেৰ ৰায়গড়া ৰে'ল ষ্টেচনৰ নিৰ্মাণৰ ফলত ওড়িশা, অন্ধ্ৰপ্ৰদেশ আৰু কাষৰীয়া অঞ্চলসমূহত যোগাযোগ ব্যৱস্থা উন্নত হোৱাৰ সম্ভাৱনা আছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে জম্মু-কাশ্মীৰ, তেলেংগানা আৰু ওড়িশাৰ ৰেল আন্তঃগাথনি প্ৰকল্পৰ উদ্বোধনে এই ৰাজ্যসমূহৰ পৰ্যটনৰ প্ৰসাৰৰ লগতে সামাজিক অৰ্থনৈতিক বিকাশতো অৰিহণা যোগাব। দেশে সম্প্ৰতি উন্নত ভাৰতৰ সপোন পূৰ কৰাৰ দিশত কাম কৰি আছে আৰু ইয়াৰ বাবে ভাৰতীয় ৰেলৱেৰ বিকাশ হোৱাটো অতি গুৰুত্বপূৰ্ণ। ৰেলৱেৰ বিকাশৰ বাবে আন্তঃগাথনিৰ আধুনিকীকৰণ, ৰেলযাত্ৰীসকলৰ বাবে আধুনিক সা-সুবিধা, দেশৰ প্ৰতিটো অংশৰ সৈতে ৰেল যোগাযোগ গঢ়ি তোলা আৰু নিয়োগ সৃষ্টি তথা এই উদ্যোগৰ প্ৰতি সমৰ্থন আগবঢ়োৱা, এই ৪ টা মূল বিষয়ৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতে সম্প্ৰতি এশ শতাংশ ৰেল পথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ কৰাৰ দিশত অগ্ৰসৰ হৈছে। অনুষ্ঠানত কেন্দ্ৰীয় ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱ, ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি, জম্মু আৰু কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুলা, তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীকে ধৰি আন কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

ooo

চত্তিশগড়ৰ বীজাপুৰ জিলাত মাওবাদীয়ে সুৰক্ষা বাহিনীৰ এখন বাহনত বিস্ফোৰণ ঘটোৱাৰ ফলত ৮ জন জোৱানৰ লগতে বাহনৰ চালকজনৰ মৃত্যু হয়। বাস্তৰ খণ্ডৰ কুত্ৰু আৰক্ষী চকীৰ অন্তৰ্গত আমবেলিৰ সমীপত মাওবাদীয়ে এই কুটাঘাট সম্পন্ন কৰে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। দান্তেৱাৰাৰ জিলা সংৰক্ষিত সুৰক্ষা বাহিনীৰ ৯ জন জোৱানে আৰক্ষীৰ সৈতে এটা যুটীয়া অভিযানৰ পাছত ঘুৰি অহাৰ সময়তে কুত্ৰু -বেদ্ৰে পথত মাওবাদীয়ে আক্ৰমণ চলায়। এই ঘটনাত এজন জোৱান নিৰুদ্দেশ হৈ আছে বুলি জানিব পৰা গৈছে। মাওবাদীয়ে শক্তিশালী লেণ্ডলাইন মাইন বিস্ফোৰণেৰে সুৰক্ষা বাহিনীৰ বাহনখন উৰুৱাই দিয়াৰ পাছত সুৰক্ষা কৰ্মীসকললৈ গুলি বৰ্ষণ কৰাৰ ফলতে জোৱানকেইজনৰ মৃত্যু হয়।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নিহত জোৱান কেইজনৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। জোৱানসকলৰ এই ত্যাগ কেতিয়াও অথলে নাযায় বুলি আশ্বাস দি শ্ৰীশ্বাহে কয়, যে ২০২৬ চনৰ মাৰ্চৰ ভিতৰত দেশৰ পৰা নক্সালবাদক সম্পূৰ্ণৰূপে নিৰ্মূল কৰা হ'ব।

ooo

দিল্লী আৰক্ষীয়ে অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে চলাই থকা অভিযানৰ অধীনত পুনৰ ৯ জন বাংলাদেশীক আটক কৰিছে। আটক কৰা আটাইকেইজন লোককে বাংলাদেশলৈ প্ৰেৰণ কৰা হৈছে। আজি নতুন দিল্লীত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি দিল্লী আৰক্ষীৰ উপায়ুক্ত এম হৰ্ষবৰ্ধনে কয়, যে ৰাজধানী অঞ্চলত অবৈধভাৱে বাস কৰি অহা বিদেশী নাগৰিকৰ বিৰুদ্ধে দিল্লী আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। আৰক্ষীয়ে এই ক্ষেত্ৰত প্ৰাৰম্ভিক পৰ্যায়ৰ তথ্য পাতিৰ সত্যতা নিৰূপনৰ লগতে অনুপ্ৰৱেশৰ তথ্য বিশ্লেষণ কৰি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উপায়ুক্তগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০

ভাৰতে পাকিস্তানে আফগানিস্তানৰ ওপৰত বিমানেৰে আক্ৰমণ কৰা ঘটনাৰ কঠোৰ ভাষাৰে সমালোচনা কৰিছে। বৈদেশিক পৰিক্ৰমা বিভাগৰ মুখপাত্ৰ ৰণধীৰ জয়চোৱালে এটা বিবৃতিত কয়, যে মহিলা আৰু শিশুকে ধৰি বহু লোকে প্ৰাণ হেৰুওৱা এই ঘটনাৰ সংবাদ মাধ্যমৰ তথ্যৰ ওপৰত ভাৰতে গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয়, যে ভাৰতে নিৰ্দোষী জনসাধাৰণৰ ওপৰত হোৱা যিকোনো আক্ৰমণকে নিন্দা কৰে। মুখপাত্ৰগৰাকীয়ে লগতে নিজৰ পৰাজয়ৰ বাবে চুবুৰীয়া দেশক দোষাৰোপ কৰাটো পাকিস্তানৰ পুৰণি অভ্যাস বুলি মন্তব্য কৰে।

০০০

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নিতীন গাডকাৰীয়ে পথত নিজৰ আৰু আনৰ সুৰক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক যান বাহন আইন মানি চলিবলৈ আহ্বান জনাইছে। মুম্বাইত ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ দ্বাৰা আয়োজিত পথ সুৰক্ষা অভ্যিান ২০২৫ ৰ **সুৰক্ষা ৰিল ডেড** অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিগত বৰ্ষত পথ দুৰ্ঘটনা বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰে। তেওঁ লগতে পথ দুৰ্ঘটনা আৰু ইয়াৰ ভুক্তভোগীৰ লগত জড়িত বহুতো পৰিসংখ্যাও প্ৰকাশ কৰে। শ্ৰীগাডকাৰীয়ে শিক্ষানুষ্ঠান আৰু অন্যান্য প্ৰতিষ্ঠান থকা অঞ্চলত বিগত বৰ্ষতেই পথ দুৰ্ঘটনাত ১০ হাজাৰ লোকে প্ৰাণ হেৰুৱাইছে বুলি জানিবলৈ দিয়ে। শিশুসকলে তেওঁলোকৰ অভিভাৱক আৰু ওচৰ চুবুৰীয়া লোকক প্ৰভাৱিত কৰিব পাৰে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে শিশুসকলে পথৰ নীতি নিয়ম মানি চলিলে নিজৰ লগতে আনৰো সুৰক্ষা নিশ্চিত হ'ব।

০০০

কৰ্ণাটকত হিউমেন মেটানিউম' ভাইৰাছ্ অৰ্থাৎ এইচ এম পি ভিত দুজন লোক আক্ৰান্ত হোৱাৰ বাতৰি প্ৰকাশ পোৱাৰ পাছ্তে দিল্লীৰ স্বাস্থ্য মন্ত্ৰী সৌৰভ ভৰদ্বাজে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগক ৰাজধানী চহৰখনত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। তেওঁ কয়, যে স্বাস্থ্য মন্ত্ৰালয়ৰ পৰামৰ্শ অনুসৰি সকলো চিকিৎসালয়তে শ্বাস প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি হোৱা পৰিলক্ষিত হ'লে সেয়া ৰোধ কৰিবলৈ সকলো প্ৰস্তুতি সাজু কৰি তোলাৰ বাবে নিৰ্দেশ দিয়া হৈছে। শ্ৰীভৰদ্বাজে কয়, যে স্বাস্থ্য সচিবক প্ৰতিদিনে তিনিখনকৈ হস্পিতাল নিৰীক্ষণ কৰি মন্ত্ৰালয়ক ইয়াৰ তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

উল্লেখযোগ্য যে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ে ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ পৰীক্ষাত কৰ্ণাটকত এটি তিনিমহীয়া কন্যা শিশু আৰু এটি আঠমহীয়া ল'ৰাৰ দেহত এই ৰোগ ধৰা পৰাৰ বিষয়ে নিশ্চিত কৰে। স্বাস্থ্য মন্ত্ৰ্যালয়ে ইয়াৰ পৰিপ্ৰেক্ষিতত সকলো দিশ সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। এটা বিবৃতি যোগে মন্ত্ৰালয়ে কয়, যে ভাৰতৰ উপৰি বিশ্বৰ অনান্য দেশত এই ৰোগৰ সংক্ৰমণ হৈছে আৰু আক্ৰান্তসকলৰ শ্বাস-প্ৰশ্বাসজনিত সমস্যাৰ সৃষ্টি হৈছে। চীন দেশত এই ৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিশ্ব স্বাস্থ্য সংস্থাই পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে।

০০০

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি দক্ষিণ চৌবিবছ্ পৰগনা জিলাৰ গংগাসাগৰত ৯৫ জন ভাৰতীয় মাছমৰীয়াৰ সৈতে বাৰ্তালাপ কৰে। এই মাছমৰীয়াকেইজনক ৯০ জন বাংলাদেশী মাছমৰীয়াৰ বিনিময়ত কালি দেশলৈ ঘুৰাই অনা হয়। মাছমৰীয়াকেইজনে যোৱা বছৰ বাংলাদেশৰ সীমাৰ ভিতৰৰ বঙ্গোপসাগৰত প্ৰৱেশ কৰাৰ

বাবে বাংলাদেশী কর্তৃপক্ষই তেওঁলোকক আটক কৰি ৰাখিছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি প্ৰতিজন মাছুমৰীয়াক দহ হাজাৰ টকাকৈ প্ৰদান কৰে।

০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ড-বিচিচিআইয়ে আয়াৰলেণ্ডৰ লগত হ'বলগীয়া ৩ খনীয়া এদিনীয়া আন্তৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় মহিলা ক্ৰিকেট দলটো ঘোষণা কৰিছে। অধিনায়ক হৰমন প্ৰীত কৌৰ আৰু প্ৰধান পেচ ব'লাৰ ৰেণুকা সিঙক এই শৃংখলাত জিৰণি দিয়া হৈছে। তাৰ পৰিৱৰ্তে স্মৃতি মান্ধানাই দলটোক নেতৃত্ব দিব আৰু দিপ্তী শৰ্মাই সহ অধিনায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰিব। উইকেট ৰক্ষক হিচাপে ৰিছা ঘোষ আৰু অসমৰ উমা চেত্ৰীক দলত অন্তৰ্ভুক্ত কৰা হৈছে। শৃংখলাৰ প্ৰথম খেলখন জানুৱাৰীৰ দহ তাৰিখে, দ্বিতীয় খেলখন জানৱাৰীৰ ১২ আৰু তৃতীয় খেলখন জানুৱাৰীৰ ১৫ তাৰিখে অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, শৃংখলাটোৰ আটাইকেইখন খেলে ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০

সমাপ্ত